# আজিৰ সমাজৰ এটি দিশ

শ্ৰীৰবীন কলিতা

প্ৰকাশক— শ্ৰীৰবীন কলিতা
পোঃ অঃ গুৱালকুচি
কামৰূপ।

দাম— ছয় অনা
বা
৩৭ নয়া পইছা

গুৱাহাটীৰ আনন্দ আৰ্ট প্ৰেছত
শ্ৰীউমা ৰাম দাসৰ দ্বাৰা মুদ্ৰিত

—: চুটি উপন্যাস :—

# আজিৰ সমাজৰ এটি দিশ

ৰবীন কলিতা

## ।। পাতনি ।।

গাৱঁত ঘটা সৰু ঘটনা একোটাই সময়ত বিৰাট আকাৰ ধাৰণ কৰি ভয়াবহ অৱস্থাৰ সৃষ্টি কৰি গাৱঁলীয়া ৰাইজৰ মাজলৈ অশান্তিৰ বন্যা বোৱাই আনে, ইয়াৰ ফলতেই গঞা ৰাইজৰ মাজৰ একতাৰ বান্ধ সিথিল হৈ পৰে, পৰস্পৰৰ মাজত মিলাপ্ৰীতিৰ ভাব নাইকীয়া হয় আৰু শত্ৰুতা বাঢ়ে। ইয়াৰ ফলতেই নিৰ্দ্দোষী জনে কেতিয়াবা সমাজৰ চকুত দোষী প্ৰতিপন্ন হয় আৰু অনাহকত শাস্তি ভোগ কৰিব লগীয়া হয়। এনে অৱস্থাৰ পৰা গঞা ৰাইজ আৰু গাৱঁক ৰক্ষা কৰা, গাওঁৰ মাজত মিলাপ্ৰীতি অটুত ৰখা, বৈষম্য দূৰ কৰা আৰু দোষীৰ দোষৰ শাস্তি বিহিবৰ কাৰণে প্ৰতি গাৱঁতেই একোটা অনুষ্ঠান থাকে। ইয়াক তুলীয়া বা গঞা সমাজ বুলি কয়। পঞ্চায়ত নামেৰেই ই সৰ্ব্বজনবিদিত। গঞা ৰাইজে সাধাৰণতে চৰকাৰৰ পাতি দিয়া আদালতৰ আশ্ৰয় নলৈ উপৰোক্ত তুলীয়া বা গঞা সমাজৰ আশ্ৰয় লয় আৰু লোৱাটো উচিত। কিন্তু সময়ে সময়ে সমাজে ন্যায় বিচাৰ নকৰি দোষীক মুক্তি দি নিৰ্দোষীক দণ্ড দিয়ে আৰু বিচাৰৰ নামত অনাচাৰ-ভাওনাহে দেখুৱায়। ৰাইজেও এই বিচাৰ বিনা প্ৰতিবাদে মূৰ পাতি লয়, স্বীকাৰ কৰি লয়। এনে স্বাৰ্থপৰতাৰে ভৰা বিচাৰ ব্যৱস্থা গঞা ৰাইজৰ মংগলৰ পৰিপন্থ। এনে বিচাৰে গঞা ৰাইজৰ ঘোৰ অন্যায় কৰে। এনে ধৰণৰ বিচাৰৰ বিষয়ে ৰাইজক সচেতন কৰি তোলাই লিখাৰ প্ৰধান উদ্দেশ্য।

• উপন্যাসখন লিখোঁতে লগতে ভুল-ভ্ৰান্তি থকাটো স্বাভাৱিক। সহৃদয় পাঠক পাঠিকাই এই ভুল-ভ্ৰান্তি মাৰ্জ্জনা কৰিব বুলি আশা কৰা হ'ল।

পুথিখনি লিখোঁতে নানা উৎসাহ আৰু প্ৰেৰণা যোগাইছিল সৰ্ব্বশ্ৰী ডাঃ হৰিচন্দ্ৰ কাকতি ধৰ্ম্মবত্ন, কামেশ্বৰ বৈশ্য বি, এ, মনো বেজবৰুৱা আৰু ৰামহৰি [illegible]। তেওঁলোকক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শুৱালকুচি
২১।১।৬১

বিনীত
শ্ৰীৰবীন কলিতা

# বিচাৰ আৰম্ভ

## ( এক )

প্ৰথমে গোচৰীয়া ৰামক সোধা হ'ল "ৰাম, তুমি যি কোৱা ভগৱানৰ ওচৰত সত্য কম বুলি পঞ্চায়ত বিদ্যামানে শপত খোৱা।"

ৰাম—মই যি কম সত্য কম। যদি মিছা কওঁ, তেনেহলে তাৰ বিচাৰ কৰি ভগৱানে উচিত প্ৰতিফল দিব। আমাৰ গাৱঁৰ হৰিয়ে যোৱা কালি গধূলি মোৰ আৰু পৰিবাৰৰ অনুপস্থিতিত ঘৰ সোমাই মোৰ গাভৰু ছোৱালী জনীৰ ডিঙিৰ পৰা সোণৰ মণি ধাৰ লৈ গৈছে। এখন কাপোৰেৰে টানকৈ চকুৰে মুখে বন্ধা অৱস্থাত তাইক তাইৰ মাকে লগ পায়।

পঞ্চায়ত—হৰিয়ে এই কাম কৰা তুমি নিজ চকুৰে দেখিছা?"

ৰাম—নিজ চকুৰে দেখা নাই. আমাৰ গাওঁৰেই মধুৰাম ডেকাই দেখা পাইছে। এই কথা মোক মধু ডেকাই কোৱাত পঞ্চায়তত খবৰ দিবলৈ বাধ্য হৈছো।

পঞ্চায়ত—যেতিয়া হৰিয়ে তোমাৰ ঘৰত সোমাইছিল সেই সময়ত মধু ডেকা ক'ত আছিল।

ৰাম—সেই সময়ত মধুৰাম ডেকা আৰু যদুৰাম ডেকা মোৰ ঘৰৰ কাষতে আছিল।

পঞ্চায়ত—তোমাৰ পৰিবাৰ তেতিয়া ক'ত আছিল?

ৰাম—পৰিবাৰ সেই সময়ত চবুৰীৰ মানুহ এঘৰলৈ কিবা বস্তু আনিবলৈ গৈছিল। তাৰপৰা ঘুৰি আহি পদূলি মুখত গল্ খেঁকাৰি মাৰি চোতাল পাই মধুৰাম ডেকাক মোৰ ঘৰৰপৰা ওলাই অহা দেখে। বাহিৰত বৈ থকা যদুৰাম ডেকাই তেতিয়া মোৰ পৰিবাৰক লক্ষ্য কৰি কবলৈ আৰম্ভ কৰে—"এই ফালে এতিয়াই মণিধাৰ চিঙি

লৈ হৰিয়ে দৌৰ মাৰি ওলাই গ'ল।" মধুৰাম ডেকাই হাতত থকা কেইটামান পোৱাল মণি দেখুৱাই মোৰ পৰিবাৰৰ আগত সকলো কথা বিবৰি কয়। পৰিবাৰে ঘৰ সোমাই চকুৰে মুখে বন্ধা অৱস্থাত ছোৱালীটিক লগ পায়। এই হল ঘটনাৰ বিৱৰণী, ইয়াৰ এটা সুবিচাৰ কামনা কৰি পঞ্চায়তৰ ওচৰত এই গোচৰ দিয়া হ'ল।

পঞ্চায়ত—হৰি! ৰামে যি ঘটনাৰ বৰ্ণনা দিলে সম্পৰ্কে সেই যি জানা সকলো কথা সত্য কম বুলি ভগবানৰ ওচৰত শপত খোৱা।

হৰি—গুৰু সকল, মই যি কম সচাঁ কম বুলি ভগবানৰ ওচৰত শপত খাই কৈছো, যে মই তেনেকুৱা কোনো কু কাম কৰা নাই। আন কি নোকোৱাকৈ ৰামৰ ঘৰৰ পৰা খেৰ কুটা এডালো অনা নাই। ইয়াৰ যদি অন্যথা কৰিছো নাইবা মিছা কৈছো সেই কথাৰ ভগবানে উচিত বিচাৰ কৰিব।

পঞ্চায়ত—তোমাৰ আৰু কিবা কবলৈ আছে জানো?

হৰি—গুৰু সকল, মোৰ আৰু অধিক কবলৈ নাই। যি কৈছো সচাঁই কৈছো। মিছা কোৱা নাই।

হৰিৰ কোৱা শেষ হোৱাত পঞ্চায়তে ৰামক সুধিলে—"ৰাম! তোমাৰ সাখী মধুৰাম ডেকা ক'ত?"

ৰাম—ৰাইজ সকল! বৰ্ত্তমানে মধু ডেকা ইয়াত উপস্থিত নাই। তেওঁ আজি গোটেই দিনমান ঘৰতে নাই।

পঞ্চায়ত—"তেনেহলে আজি বিচাৰ স্থগিত থাকক, আৰু তিনি দিনৰ সময় দিয়া হওঁক।" তিনি দিনৰ মুৰত ৰামক সাখী সহ পঞ্চায়ত আহ্বান কৰিবলৈ দি পঞ্চায়তৰ বিচাৰ সেই দিনাৰ কাৰণে স্থগিত ৰখা হ'ল।

( দুই )

পাঠক ঃ -সুবিচাৰ কামনা যদি ৰামে পঞ্চায়তৰ ওচৰত দিয়া সাক্ষা মধুৰাম ডেকা গাওঁৰ ভিতৰত এজন ধনে-ধানে ক্ষমতাশালী ব্যক্তি। তেওঁ গাৱঁলীয়া সমাজৰ মুখ্য গঞা বা তুলনীয়া ৰাইজৰ আগ শাৰীত বহি, হয়ে নয়ে তুলাব পাৰে। তেওঁৰ পৰিয়াল বুলি লৈ তেওঁ আৰু ঘৈণীয়েক। সন্তান সন্ততি কোনো নাই। বন্দী-বেটী ৰাখি, খাই বাতি কৰি সুখেৰে জীৱন যাপন কৰে। মধুৰামৰ বয়স [illegible] নহয়। তেওঁৰ গাত থকা বিশেষ গুণ এটা এই যে ইঘৰ সিঘৰলৈ খুঁচি খুঁচি তেওঁ চতুৰালি মাৰিব পাৰে, ছেগ বজি অভাব-গ্ৰস্ত দুখী লোক পৰিয়ালক হলপ ডচলপ অৰ্থৰ সাহায্যও দিয়ে; কিন্তু স্বাৰ্থৰ খাতিৰতহে। সেই কাৰণে মধুৰাম ডেকাক গঞা ৰাইজে মান কৰে আৰু ভয় কৰে। যদিও তেওঁৰ কোনো বস্তুৰেই অভাব নাই তথাপি দুটা বস্তুৰ কাৰণে তেওঁ সকলো প্ৰকাৰৰে হীন-জঘন্য কাম কৰিব পাৰে। তাৰে এক হল ধন আৰু আনটো হল লিপ্সা মনৰ কামানল। তেওঁৰ পৰা কোনো ৰূপ লাৱণ্যৱতী সহজে ৰক্ষা কৰিব নোৱাৰে।

ৰাম এজন সৰল, সহজ, হোজা খেতিয়ক। তেওঁৰ পৰিয়ালত একমাত্ৰ কণ্যা চম্পা আৰু চম্পাৰ মাক। এই তিনিটি প্ৰাণীৰে সিহতৰ সংসাৰখন। খেতি কৰিবলৈ নিজৰ বুলিবলৈ মাটি নথকাৰ কাৰণেমধুৰাম ডেকাৰ মাটিতেই আধি-চুকানিৰ ভাগ লৈ খেতি কৰে।

হৰিনাৰ নিজৰ গাৰ মঙহেই বৈৰী হোৱাৰ নিচিনাকৈ চম্পাৰ দেহৰ বৰণ, বৈ পৰা চুলিবোৰ, অনাবৰত হাঁহি বুগুছা তুলতুলীয়া ৰঙা গাল দুখনিৰে তেজগোৰা, গোলাকাৰ মুখ আৰু ভৰ-যৌৱনৰ উঠন বুকুখনি এক শ্ৰেণী লোকৰ চকুৰ পৰা আতৰিব পৰা নাই। চম্পাৰ যৌৱন-ওপচা দেহৰ ওপৰত নিক্ষিপ্ত হোৱা বহু চকুৰ উপৰিও

কামাৰ্ত্ত মধুৰাম ডেকাৰ চকু হাল পৰিছিল। আজি বহুদিনৰপৰাই চম্পাৰ প্ৰতি মধুৰামৰ অন্তৰত কামনাৰ জুই একুৰা জ্বলি আছিল। এই জ্বলা জুইৰ জ্বালা প্ৰশমিত কৰাৰ অভিপ্ৰায়ে, যদুৰামক লগত লৈ যোৱা কালি গধূলি মধুৰাম ডেকা চম্পাহঁতৰ ঘৰলৈ গৈছিল।

বেচেৰী চম্পাই সেইদিনা চকুই মনালৈকে বাহিৰৰ তাঁতত বহি গামোচাৰ ফুল বাচি আছিল। কিছুদিনৰ পৰা এনেতে হঠাতে মধু ডেকাই কাপোৰেৰে চকুৰে মুখে বান্ধি চম্পাক ঘৰৰ ভিতৰলৈ টানি নিয়াৰ মুহূৰ্ত্ততে চম্পাৰ মাকে গলহেকাৰি মাৰি চোতাল পালেহি। চতুৰ মধু ডেকাই চম্পাৰ মাক গহা গম পাই চম্পাৰ ডিঙিৰ পৰা মণি ধাৰ চিঙি আনি বাহিৰলৈ ওলাই আহি চিঞৰি চিঞৰি কবলৈ ধৰিলে "এই কালে হৰিয়ে তোমাৰ চম্পাৰ ডিঙিৰ মণিধাৰ চিঙিলৈ দৌৰ মাৰি বাৰীৰ পিচৰ পদূলীয়েদি ওলাই গৈছে।" মাকে এই কথা শুনাৰ লগে লগে ভিতৰলৈ গৈ চকুৰে মুখে বন্ধা চম্পাক পাই সুধিলে, "আই চম্পা, কোনে এনে কাম কৰিলে কছোন।

চম্পা—মই কব নোৱাৰো আই। বাহিৰৰ তাঁতত বহি থাকোতে পিচ ফালৰ পৰা কোনোবাই মোৰ চকুত কাপোৰ বান্ধি ঘৰৰ ভিতৰলৈ টান মাৰি লৈ আহিছে। মানুহজন বৰ শকত, বাহু দুখন বেচ ডাঙৰ।"

• এনেতে চম্পাৰ বাপেক ৰাম পথাৰৰ পথাৰৰ পৰা গৰু হাল লৈ আহি চোতালত উপস্থিত হ'ল। বাহিৰত মধু ডেকাহঁতক তেনেকৈ থিয় হৈ বৈ থকা দেখি ঘৰৰ ভিতৰলৈ লক্ষ্য কৰি ৰামে চিঞৰি কলে—"হেৰৌ আই চম্পা! দেউতা সকল বাহিৰত থিয় হৈ আছে বহিবলৈ নিদিয় কেলেই।"

মধুৰামে কলে, "ককাই আমি বহিম বাৰু, তুমি গৰু হাল বান্ধি আহা"। এনেতে চম্পাৰ মাকে দুখন পিৰা আৰু কেৰাচিন তেলৰ

চাকি গচ্‌ উলিয়াই আনি বহিবলৈ দিলে। ৰামে গৰু হাল বান্ধি বাৰীত হাত-ভৰি ধুই মলা-ধপাত এচিলিম লগাবলৈ দি ভিতৰলৈ যোৱাত ঘৰৰ ভিতৰত চম্পাই কান্দি থকা দেখি ঘৈণীয়েকক সোধাত অলপ আগতে হৈ যোৱা সকলো ঘটনা বিবৰি কলে।

ৰামে ধপাত চিলিম বাহিৰলৈ আনি যদু আৰু মধুৰ ওচৰত বহিল। ৰামে নৌ-মাতে দিওতে মধুৰাম ডেকাই আৰম্ভ কৰিলে "ৰাম ককাই, তুমি বোধ হয় ঘৰৰ ভিতৰত হোৱা সকলো কথা জানিব পাৰিলা। মই আৰু যদু ডেকা যদি নাথাকো তেনেহলে সেই অঘাইটং হৰিয়ে তোমাৰ কি নকৰিলে হয় তাৰ ইয়াত্ত নহলহেতেন আৰু তুমিয়েই দেখোন চম্পাক তালৈ দি তাক ধৰ্ম্ম জোঁৱাই পাতি লব খুজিছা।—"এতিয়া বুজি পালা তোমাৰ হৰি জোঁৱাইৰ স্বভাৱ-চৰিত্ৰ"। ৰামে একো নামাতি মৌন-হৈ থকা দেখি মধুই পুনৰ মাত লগালে। এই সময়ত ভাবি-চিন্তি কোনো লাভ নাই। মই যি উপদেশ দিওঁ তুমি সেই মতে কাম কাম কৰা। আমাৰ মগধপুৰ গাওঁ পঞ্চায়তৰ কথা তুমি নজনা নহয়। গতিকে তুমি অহা কালিলৈ পঞ্চায়ত আহ্বান কৰা। তাক চাওঁ এবাৰ, সি কেনে মনবৰৰ পুতেক হৰি, আৰু মই বুজাই দিওঁ মই কেনে ধনবৰৰ পুতেক মধু। ৰাম ককাই, ইমান দিনে তুমি মোৰ কথা মতে চলি আহিছা। গতিকে তুমি মোৰ কথা মতে অহা কালিলৈ পঞ্চায়ত আহ্বান কৰা।" ৰামে ইমান সময় নিমাতহৈ আকাশ পাতাল ভাবি আছিল। সি তাৰ অতি মৰমৰ, আদৰৰ চম্পাক হৰিলৈ দি সুখৰ সংসাৰ এখনৰ কল্পনা কৰিছিল। হৰি আৰু চম্পাৰ এখন অতি

সুখৰ পৰিয়াল গঢ়ি উঠাৰ সপোন দেখিছিল। সেই হাবিয়ে এনে পৈশাচীক মনোবৃত্তি কিয় ললে? নাই, ই কেতিয়াও হব নোৱাৰে; কেতিয়াও হব নোৱাৰে! হৰিয়ে এনে কাম কৰা কোনোমতে বিশ্বাস নহয়! ৰামে এইদৰে ভাবি থাকোতেই মধুৰামে মাত দিয়াত তাৰ চিন্তা জাল চিন্ন হ'ল। মধুৰামে কলে "ৰাম ককাই, তুমি দেখোন মৌন হৈ থাকিলা; যদি তোমাৰ কৰলৈ একো নাই বা পঞ্চায়ত মতাৰ প্ৰয়োজন বোধ নকৰা তেনেহলে আমাৰ কৰলৈ একো নাই। ৰাতি হল। আমি ঘৰলৈ যাওঁ।"

ৰাম — বোপা, ইমান দিনে তোমাক আশ্ৰয় কৰিয়ে জীয়াই আছো, তোমাৰ উপদেশ পৰামৰ্শ মানিছো। তোমাৰ অন্ন-জলেৰে আমি পালিত। গতিকে আজিও তোমাৰ কথামতে চলিম। অলপ ভাবিছোহে মাত্ৰ কিয় বা হৰিয়ে এনেকুৱা কু-কাম কৰিলে।

মধু — তুমি সেইবিলাক একো'ৰেই নাজানা, ৰাম ককাই। সকলো মোৰহে জনা আছে। আজি দুই মাহ হল; মোৰ পৰা বাপেকে গৰু কিনিবলৈ দুই শ নগদ ৰূপ ধাৰলৈ নিছিল, আজি কেই দিব মানৰ পৰা মই বৰকৈ তাগিদা দিছো, কিন্তু টকা সোধ কৰিব পৰা নাই। সেই কাৰণে পুতেকে এনে ব্যৱস্থা অৱলম্বন কৰিবলৈ বাধ্য হৈছে।

ৰাম — ভাল বাৰু বোপাই। অহা কালিলৈ পঞ্চায়ত আহ্বান কৰা হক। তুমি থাকিব লাগিব। তোমাৰ কথা মতেই মই কামত আগ বাঢ়িলো।

মধু — ৰাম ককাই, আৰু এটা কথা। অহা কালি মই পঞ্চায়তত কোনোমতে থাকিব নোৱাৰিম। এঠাইত মোৰ

কাম আছে। তুমি মাত্ৰ ৰাইজক কবা যে মধুৰাম ডেকাই সকলো কথা জানে, আৰু মই ঘৰত নাই বুলি কবা। ভয় নকৰিবা "পঞ্চায়তৰ বাণী ভগবানৰ বাণী"। এই বুলি কৈ যদু আৰু মধু ডেকাই বহাৰ পৰা উঠিল।

মধু ডেকাৰ শেষৰ কথাষাৰ চম্পাৰ কানত বাজিল। "পঞ্চায়তৰ বাণী ভগবানৰ বাণী"। অহাকালি আজিৰ ঘটনাৰ বিচাৰ পঞ্চায়তে কৰিব। ইমান দিনে হৃদয়ত আসন দি অহো-ৰাত্ৰি পূজা কৰা দেৱতা হৰিৰ কালি বিচাৰ হব। হৰিৰ ইমান পবিত্ৰ অন্তৰ, হৰি ইমান মহান, উদাৰ ইমান শান্ত। অথচ সেই হৰিয়ে মোৰ চকুত কাপোৰ দি এনে পৈশাচীক কাম কৰিব কিয়? ই কেতিয়াও হব নোৱাৰে। কেতিয়াও হব নোৱাৰে। দেউতাই অন্যায় কৰি পঞ্চায়ত আহ্বান কৰিব। নাই নহব। মই নিদিওঁ দেউতাক পঞ্চায়ত আহ্বান কৰিবলৈ। দেউতাক বন্ধ কৰিম যাতে কোনো মতে পঞ্চায়ত পাতিব নোৱাৰে।" চম্পাৰ অন্তৰ আকাশত ধুমুহা ববলৈ ধৰিলে। ধুমুহা, ভীষণ ধুমুহা। তাই মূৰ গৰম হোৱা যেন পালে। অস্থিৰ হৈ পৰিল। উপায় নাপাই উচুপি উচুপি কান্দিবলৈ ধৰিলে। নিশা আৰু তাইৰ শোৱা নহল। শেষ ৰাতি চিল মিল্ কৈ টোপনী আহিল।

( তিনি )

হৰি এজন আদৰ্শ গাৱলীয়া খেতিয়ক ডেকা। লিখা-পঢ়া ভিতৰত মগধপুৰ এল, পি স্কুল পাছ। ঘৰুৱা আৰ্থিক অৱস্থা বৰ ভাল নহয়। তথাপি নিজৰ কায়িক শ্ৰমেৰে ধাৰ ঋণ নকৰাকৈ কোনোমতে বাপেক মাক আৰু পুতেক এই তিনি জনৰ সৰু সংসাৰখন সুখেৰে চলি আছে। হৰিৰ বয়স প্ৰায় ২৯।৩০ বছৰ।

চফল আদৰ্শ খেতিয়ক ডেকা। হৰিক গঞা ৰাইজৰ সকলোৱে মৰম কৰে। গাওঁৰ আন লৰাৰ দৰে সকলো সময়তে বাহিৰা কথাত নেথাকি দিনৰ দিনটো পথাৰত খেতিৰ কাম কৰে। গধূলি সি অলপ আহৰি পালে গাৱঁৰ পুথিভঁৰালৰ কিতাপবোৰ পঢ়ে। মুঠৰ ওপৰত গাৱঁৰ সকলোৱে হৰিক এজন সমাজপ্ৰিয় সৎ চৰিত্ৰৰ পৰিশ্ৰমী উদীয়মান খেতিয়ক ডেকা বুলি জানে। আন হাতে হৰিৰ লগত চম্পাৰ বিয়া হোৱাৰ কথা গাৱঁত অহুকানে-পহুকানে জানিব পাৰি মধুৰ দৰে হীন চৰিত্ৰৰ আৰু কু-স্বভাৱৰ এক শ্ৰেণীৰলোকে সদায় হৰিৰ প্ৰতি হিংসাৰ মনোভাব লৈ আহিছে।

অথচ হৰি আৰু চম্পাৰ কোনোদিনেই তেনেধৰণে কথা বতৰা পতাৰ সুবিধা হোৱা নাই। মাত্ৰ চম্পা আৰু হৰিৰ পৰিয়ালৰ ভিতৰত হৰি আৰু চম্পাৰ বিবাহৰ প্ৰস্তাৱ উঠিছিল। হৰি আৰু চম্পাৰ কানত অৱশ্যে এই কথা নপৰাকৈ থকা নাই। তেতিয়াৰ পৰাই দুখন সৰল, সহজ, প্ৰেমেৰে ভৰা অন্তৰত মৰমৰ আৰু প্ৰেমৰ মৃদু মলয়াৰ বা-বলিছিল। আৰু কেতিয়াবা আলি-পদূলিয়ে চাৰি চকুৰ মিল হলে জয়পৰা আদৰ মালতীৰ দৰে জয়পৰি গৈছিল ......।

* * * *

আহকালি আকৌ পঞ্চায়ত বহিব। মধুৰাম ডেকাৰ গাত তত নাইকীয়া হৈছে। দুৰ্যোধন বিচাৰকৰ পৰামৰ্শ মতে বিচাৰক শকুনিক এশ টকা ঋণদি হলেও হৰিক দোষীসাব্যস্ত কৰিব লাগিব। ইয়াকে সিদ্ধান্ত কৰি মধু ডেকাই শকুনি মেলেকীৰ ঘৰলৈ ধাপলি মেলিলে। পদূলীতে সৰু ছোৱালীজনীক দেখা পাই মধুৰামে সুধিলে "আইটি তোমাৰ পিতাৰে ঘৰত আছেনে?

"হয় আছে।"
"এজন মানুহে মতা বুলি কোৱাগৈ যোৱা।"
ছোৱালীটিযে পিতাকক কোৱাৰ লগে লগে শকুনি মেলেকী আহি মধু ডেকাক দেখা পাই নমস্কাৰ জনাই ভিতৰলৈ মাতি নি বহুৱালে।
'আহা বোপা। পাহা। বহা।"
প্ৰতি-নমস্কাৰ জনাই মধু ডেকা বহিল।
"এই ভবহুৰা খনত কিয় আহিলা বোপা? "শকুনিযে সুধিলে।
মধু "মোৰ হয় অলপ খবৰ পাইছে, যোৱা পৰহি ৰামৰ ঘৰত হৈ যোৱা ঘটনা সম্পৰ্কে।"
শকুনি — "হয় বোপা, খবৰ পাইছো আৰু কালি হৰিৰ বিৰুদ্ধে ৰামে পঞ্চায়তৰ ওচৰত গোচৰ দিছিল। বিচাৰত মই নিজেই আছো। তুমি নোহোৱাৰ কাৰণে পঞ্চায়তৰ বিচাৰ স্থগিত আছে। কালিলৈ পুনৰ পঞ্চাযত বহি সাক্ষী সোধাৰ কথা আছে।"
দুৰ্যোধন মেলেকীয়ে শিকাই দিয়ামতে ডেকাই কবলৈ আৰম্ভ কৰিলে।
মধু – "ডাঙৰীযা, আপুনি পিতৃ বয়সীয়া লোক। আপুনি মগধপুৰৰ গঞা ৰাইজৰ ৰাজহাড স্বৰূপ। মনবৰৰ পুতেক হৰিৰ প্ৰতাপত আমাৰ নিচিনা লোক তিষ্ঠি থকা টানেই হৈ পৰিছে।" এই বুলি ছোলাৰ জেপৰ পৰা দহটকীয়া নোট চাৰিখন মেলেকীৰ হাতত গুজি দি অনুৰোধ সুৰত পুনৰ কবলৈ আৰম্ভ কৰিলে,
"আপুনি যি কোনো উপায়ে হৰিক দোষী সাব্যস্ত কৰি মোক বচোৱাৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ মই যাতে সাক্ষী কোৱাৰ আগতেই কোনো শপত খোৱাৰ ব্যৱস্থা নহয় তাৰ কাৰণে আপোনাৰ ওচৰলৈ লৰি আহিছো।"

ৰূপ যেন পকাগোফৰ তলেদি মিচিকীয়া হাঁহি এটি মাৰি নিজৰ হাতৰ দহটকীয়া নোট কেইখনলৈ চাই মেলেকীয়ে "ভয় নাই" বুলি কৈ উঠিল। "বোপা, তুমি ভয় নকৰিবা। মই যি কৰিব লাগে তাকে কৰিম। যোৱা কালি আমাৰ মগধপুৰ পঞ্চায়তৰ নিয়মাৱলী পাঠ কৰা হৈছিল। উক্ত নিয়মাৱলীত দুটা কথাৰ ফাঁক ৰৈ গৈছে। তাৰে এক নম্বৰ কথা হ'ল, সাক্ষীৰ ভগৱানৰ ওচৰত শপত নাই। তুমি সচাঁক মিছা আৰু মিছাক সচাঁ কৰিব পাৰিবা। আৰু দ্বিতীয়তে, যোৱাকালি উভয়ৰ টকা আমনত লোৱা হোৱা নাই। গতিকে মই যি কৰিব লাগে কৰিম। তুমি এই সম্পৰ্কে নিশ্চিন্ত হৈ থাকা।" এই বুলিকৈ দুবাৰমান কাঁহিলৈ মেলেকীয়ে পুনৰ কবলৈ ধৰিলে --"অ আৰু এটা কথা। আৰু এজন আমাৰ লগৰ মেলেকী বুঢ়া হ'ল পশুপতি। তেওঁক লগ ধৰিবা আৰু মলা-ধপাত খাবলৈ দুই চাৰি অনা পইচা দিবা। লগতে কবা যে আমাৰ মেলেকী সকলে যোৱা মাহত হৈ যোৱা তামোল চুৰিৰ বিচাৰ এখনত এজনক বিচাৰ কৰি দোষ পাই দোষী সাব্যস্ত কৰি ৫০ টকা জৰিমনা কৰিছিল। কিন্তু মনদৰৰ পুতেক হৰিয়ে সেই টকা মেলেকী সকলক ভগাই নিবলৈ নিদি মগধপুৰ এল্ পি স্কুলত দিবলৈ দিছিল। সেই হৰি আজি আজি আচামী। এই বোৰ কথা সোঁৱৰাই দিলে পশুপতিয়ে সকলো কথা বুজি পাব। বোপা! তুমিয়ে ভাবি চোৱাচোন! মেল কৰি কৰি বুঢ়া হলো। শোভৰি চালঙ্গিৰ টকা কোনো অনুস্থানত দি— খালিহাতে কেতিয়াবা ঘৰলৈ আহিছিলোনে? সেই দিনা পানীমল গুৱালৰ লবাৰ তামোল চুৰি কৰা অপৰাধত ৫০ টকা জৰিমনা কৰা হৈছিল সেই টকা হেনো মেলেকী সকলে ভগাই নেখাই কোনো এট

অনুস্থানত দিব লাগে। সি মনবৰৰ পুতেক ইমান কথাৰ মানুহটো ল্লোল। সি পশুপতি আৰু মই টকা খোৱা বুলি অপপ্ৰচাৰ কৰি গওঁৱা ৰাইজৰ ওচৰত কৈ ফুৰে। সি কালিৰ ল'ৰা হৈ পৰহিৰ গীত গাই মগধপুৰ পঞ্চায়তৰ ক্ষেত্ৰত এটা নতুন কথা আনিব বিচাৰে? এই কথাষাৰ পশুপতিক তুমি সোঁৱৰাই দিলেই সকলো কথা বুজি পাব।" "ভাল বাৰু"! নমস্কাৰ জনাই মধুৰাম বহাৰ পৰা উঠিল আৰু পশুপতিৰ ঘৰ মুৱাকৈ ঢাপলি মেলিলে। বাটে বাটে মধুৱে ভাবি গৈছে "প্ৰধান ডুজংক হাত কৰিলো যেতিয়া এওঁকো একোৰ টকা দিলেই হব। মুঠৰ ওপৰত যি কোনো উপায়েৰে হৰিক দোষী কৰি চম্পাক ব্যাভিচাৰিণী বুলি প্ৰচাৰ কৰিব পাৰিলেই হয়। যেতিয়া চম্পাৰ ঘটনা পঞ্চায়তে বিচাৰ কৰিব তেতিয়া অন্ততঃ হৰিৰ বাপেকৰ মনত চম্পা এজনী ব্যাভিচাৰিণী বুলি সন্দেহ হব আৰু গওঁৱা ৰাইজৰো চম্পাৰ প্ৰতি এটা ঘৃণা ভাব ওপজিব। তেতিয়া সতকাই কোনেও চম্পাক গ্ৰহণ নকৰিব। সেই সুযোগতেই ৰামৰ অন্তৰ দুৰ্ব্বল কৰি চম্পাক লাভ কৰিব লাগিব।" ইমান সময় মধু ডেকা ভাৱত তন্ময় হৈ আছিল। হঠাৎ পশুপতিৰ পদূলি মুখ পোৱাতহে তাৰ চেতনা ফিৰি আহিল। পদূলি মুখত বৈ মধু ডেকাই নম্ৰ সুৰত মাতিলে "ঘৰত আছেনে?"

বাহিৰলৈ ওলাই চাহি মধু ডেকাক দেখা পাই পশুপতিয়ে পীৰা পাৰি দি বহিবলৈ দিলে। মধু ডেকাই কপাললৈ হাত তুলি নমস্কাৰ জনালে আৰু শকুনি মেলেকীয়ে কোৱা কথা বেইফাঁকি কৰি কলে আৰু লগতে দহটকীয়া নোট দুখন গুজি দি ইয়াৰ এটা সুপ্ৰতিকাৰৰ ব্যবস্থা কৰিব বুলি আশা প্ৰকাশ কৰিলে।

পশুপক্ষিয়ে শান্তনাদি কলে "যোগা'গোপা, তুমি আৰু চিন্তা কৰিবৰ কথা নাই। যি কৰিব লাগে আমি কৰিম। তোমালোকৰ আশীৰ্ব্বাদতে এনেকৈ গোচৰীয়াৰ গোচৰ সমাধান কৰি সমাজৰ গালি-শপনিৰ মাজেদি বাইজৰ সেৱা কৰি আহিছো। আৰুনো কিমান দিন বাচি থাকিম; এনেকৈ বাকী কেইটা দিন সমাজত মিলি জুলি অতিবাহিত কৰিব পাৰিলেই হয়।" এইখিনি কৈ মধু ডেকাক বিদায় দিলে। উভতি আহোঁতে মধু ডেকাৰ এটা কথা মনত পৰিল যে কাইলৈ ৰামে টকা আমনত দিব লাগিব। সময়ো গধূলি হৈ আহিল। "ৰাতিপুৱালে লক্ষ্মণ মৰে।" ৰামৰ ঘৰলৈ গৈ এই সম্পৰ্কে আলোচনা কৰি বেচেৰাক পাৰিলে টকা খিনি যোগাৰকৰি দিয়া ভাল হব। আৰু লগতে তুলসীৰ লগত কলপটুৱাৰ মুক্তি হোৱাৰ নিচিনাকৈ চম্পাৰ মুখ লাবনাও চাই অতৃপ্ত নয়ন সাৰ্থক কৰিব পৰা যাব। এই কু-মনোভাব লৈ মধুৰামে ৰামৰ ঘৰত উপস্থিত হ'ল আৰু পদূলি মুখৰ পৰা মাতিব ধৰিলে, "ৰাম ককাই ঘৰত আছেনে?" চম্পাই তাঁতৰ পাতৰ পৰা উঠি গৈ দেউতাকক মধু অহাৰ কথা জনালে আৰু ঘৰৰ পৰা পাৰা এখন আনি বাহিৰা ঘৰ এটিত বহিবলৈ দিলে। চম্পালৈ পিপাসু দৃষ্টিৰে চাই মধুৰামে মাত লগালে ---

"চম্পা! ভালে আছানে?"

"হুঁ" বুলি কথমপি উত্তৰটো দিয়েই চম্পা ঘৰৰ ভিতৰ সোমাল। কিয় জানো আজি মধুৰামলৈ চম্পাৰ ইমান ভয় লাগিল? তাইৰ মাতটোত এটা আশঙ্কাৰ মৃদু কঁপনি শুনা গল। মধু ডেকাক দেখাৰ লগে লগে চম্পাৰ কিবা এটা ভয়ৰ আৰু শংকাৰ ভাব হ'ল। মূহূৰ্ত্তৰ ভিতৰতে তাইৰ অন্তৰ ভয়ৰ ক'লা ডাৱৰে

আৰৰি পেলালে। পৰহি সন্ধিয়াৰ ঘটনাটোলৈ তাইৰ মনত পৰিল। ঠিক, ঠিক মধু ডেকাৰ নিচিনা শকত বাহু দুখনে তাইক চেপি ধৰিছিল। তাইৰ নাৰী সুলভ অন্তৰ খন ভয়ত কঁপি উঠিছিল। নানান প্ৰশ্নৰ জাউৰী তাইক ৰঙা কৰি তুলিছিল। এনেসময়তে চম্পাৰ বাপেক ৰামে এচিলিম মলাধপাত হাতত লৈ ওলাই আহি সুধিলে "অ' বোপা! তুমি আহিছা?"

"হয়! বোলো কাইলৈ আমনৰ টকা কেইটা যোগাৰ হলনে নাই খবৰটো লৈ যাম বুলি আহিলো।"

"ভাল বোপা! এতিয়াই ঘৰৰ মানুহজনীৰ লগত তোমাৰ বিষয়ে আলোচনা কৰি আছিলো। মোৰ হাতত যে এটা ফুটা কড়িও নাই। তোমাকেই ভৰষা কৰি আছো বোপা।"

"ভাল বাৰু; সম্প্ৰতি মই এতিয়া ৫০৲ টকা দি যাওঁ আৰু লাগিলে কাইলৈ দিলে নহব জানো?"

"হব বোপা; কেলেই নহব?"

"বাৰু এতিয়া মই যাওঁহে ৰাম ককাই।"

"ৰবা বোপা, এটোপা চাহ খাই যোৱা।" এই বুলি চিঞৰি কলে অ' আই চম্পা, চাহ হ'লনে? সোনকালে লৈ আহ। দদায়েৰে যাবলৈ ওলাইছে।" ৰামৰ কথাত ডেকাই অলপো আপত্তি নকৰি চাহ খোৱাৰ সুবিধা লৈ চম্পাৰ নিমজ গাল দুখনি, বৈ পৰা কিচ্‌কিচিয়া ক'লা চুলিটাৰী, হৰিণীৰ নিচিনা চঞ্চল চকুজুৰি চোৱাৰ হেপাহতে বহি ৰ'ল; যেন দুৰ্দ্দান্ত ৰাক্ষস-ৰাজ ৰাৱনে জানকীৰ উঠন বুকুৰ উন্মুক্ত মাদকতাহে বিচাৰিছে। হয়তো চম্পাই নিজ হাতে চাহ দিব; হয়তো চম্পাই কব "চাহ খাওঁক" তেতিয়া তাঁৰ অন্তৰ গঙ্গাত কিমান যে আনন্দৰ জোৱাৰ

উঠিব ; সি যে কিমান আনন্দ উপভোগ কৰিব পাৰিব। অলিক কল্পনা। এনেতে চম্পা ওলাই আহিল। দুই হাতত তাইৰ দুটা ফিকা চাহৰ মাইহেঙ বাতি। কামুক মধুৰামৰ কামনাৰ খাওঁ খাওঁ

দেখি হৰিণী নয়ণী চম্পাৰ যোৱা পৰহিৰ ঘটনাটোলৈ আকৌ এবাৰ মনত পৰিল। মনত পৰাৰ লগে লগে হাতৰ পৰা চাহৰ বাতি সৰি পৰিল। তাই থিতাতে থতমত খাই ঠিয় হৈ থাকিল নিশ্চল, নিস্প্ৰাণ নিৰ্ব্বাক, নিষ্পন্দ প্ৰতিমাৰ দৰে। চম্পাৰ এই কামত বাপেক স্তব্ধ হৈ গল আৰু লাহে লাহে কবলৈ ধৰিলে "আইকন! কি খন কৰিলি ?" চম্পা নীৰৱ ; মুখ খনত যেন কোনোবাই সোপা দি তাইৰ মাত বন্ধ কৰি দিছে। তাই দেউতাকৰ কথাৰ উত্তৰ দিব নোৱাৰিলে। পৰিস্থিতি সলনি কৰিবলৈ অলপ কৃত্ৰিম হাঁহি মাৰি মধু ডেকাই মাত লগালে "ককাই! চম্পাৰ বোধ হয় মূৰ ঘূৰাইছে।" তেতিয়াও চম্পা নীৰৱ পুতুলাটিৰ দৰে থৰ লাগি আছিল।

"এৰা বোপা! পৰহিৰ পৰা ছোৱালীজনীৰ অন্তৰত কিবা এটা ভয় সোমাই খাব লব নোৱাৰা হৈছে। তাৰ বাবেই তেনে হ'ল যেন পাওঁ।"

মধু — ভাল বাৰু ককাই ; মই এতিয়া ঘৰলৈ যাওঁ। চম্পাক ভিতৰলৈ নিয়া। তাই তেনেই থৰ লাগি আছে। মই কাইলৈ আকৌ আহিম।

ৰাম — "ভাল বোপা! বেয়া নেপাবা ; চাহটোপাও খোৱা নহল। কি হ'ল জানো আজি তাইৰ ; কোনো দিনে এনেকুৱা হোৱা নাই।

"বাৰু বাৰু নেলাগে ৰাম ককাই কাইলৈকে খাম।"

এই বুলিকৈ মধুৰাম ঘৰমুখা হ'ল। ডেকাৰ অন্তৰ আত্মা আজি আনন্দত তোলপাৰ লাগিছে। বাটে বাটে ডেকাই ভাবি গ'ল 'নিশ্চয় চম্পাই মোক ভাল পাইছে। মোৰ প্ৰতি চম্পাই আত্মা-হাৰা হৈ গৈছিল আৰু সেয়েহে মোৰ ফালে অপলক দৃষ্টিৰে চাই থাকোতে তাইৰ মূৰ ঘূৰি হাতৰ পৰা চাহৰ বাতি সৰি পৰিল। তাইৰ মোৰ প্ৰতি অকৃত্ৰিম ভাল পোৱা সজাগিত হৈছে। ডেকাই আজি নিজকে ধন্য মানিলে। আজি যেন এটি নতুন তথ্য আবিষ্কাৰ হ'ল।

চম্পাৰ মাক ওলাই আহি চম্পাক ভিতৰলৈ লৈ গ'ল। চম্পাৰ অন্তৰ আত্মা বিদ্ৰোহী হৈ উঠিছিল সেই নিলাজ পশুটোৰ অভদ্ৰামী দেখি। তাই হয়তো ডেকাক কবলৈ ইচ্ছা কৰিছিল "অশিক্ষিতা ছোৱালী হলেও, দুখীয়াৰ ঘৰৰ ছোৱালী হলেও আমাৰ আত্ম সন্মান আছে, আমাৰ চৰিত্ৰ বোলা বস্তু এটা আছে। আমাৰ পবিত্ৰ অন্তৰ এখনি আছে।" আৰু সুধিবৰ ইচ্ছা আছিল, "তইঁত জানো মানুহ নহয়।" তইঁতৰ জানো মনুষ্যত্ব নাই। যদি আছে তেন্তে বাঘৰ দৰে আচৰণ কিয়?" কিন্তু সেই খিনি সময়ত তাইৰ মুখ খন কোনোবাই যেন চিলাই কৰি দিছিল। হৃদপিণ্ডৰ স্পন্দন যেন বন্ধ হৈ গৈছিল। সেই সময়ত চম্পাৰ ভাব হৈছিল যেন মাকৰ আগত মধুৰ সেই অভদ্ৰ আচৰণৰ কথা খুলি কব। কিন্তু পিছ মুহূৰ্ত্তে তাই ভাবিছিল "ছিঃ মানুহ ইমান নীচ হব নোৱাৰে।" তাই আৰু মাকক কব নোৱাৰিলে। তাইক যেন কিবা এটা লজ্জা আৰু ভয়ে গৰা মাৰি ধৰিলে। মনত জ্বলা জুইকুৰা মনতে জ্বলি থাকিল। সেই দিনা ৰাতি

বেচাৰীৰ খোৱা-শোৱা নহ'ল। মাঁকে সোধাত পেটৰ কামোৰণী হোৱা বুলি পৰি থাকিল। এটি চিন্তাই চম্পাৰ কোমল অন্তৰ দেই-পুৰি মাৰিবলৈ ধৰিলে। তাই নিজকে প্ৰশ্ন কৰিবলৈ ধৰিলে "কোন? কোন সেই জন ভীমকায় পিশাচ?" যিমানেই ভাবে সিমানেই মধুৰ পৈশাচিক মূৰ্ত্তিটো তাইৰ চকুৰ আগত ভাহি উঠে। "আৰু কেনে ভয় লগা চাৱনী? তেলেকা চকু, ৰাক্ষস যেন গঢ়ৰ হাত ভৰি??? ···। তাইৰ চকুৰে অশ্ৰু নিজৰাৰ ঢল বাগৰিল। চকুৰ পানীৰে শোৱা গাৰু তিতি গ'ল। বেচেৰী ক্লান্ত হৈ পৰিল, অশুভ দিনটোৰ ঘণ্টা, মিনিট, চেকেণ্ড গণি গণি। প্ৰায় ৰাতি দুই মান বজাত নিদ্ৰা দেবীয়ে তাইৰ দুখত দুখিত হৈ আলফুলকৈ সাৱতি ধৰিলে।

## ( চাৰি )

পিচদিনা দুপৰীয়া দুইমান বজাত মগধপুৰ পঞ্চায়তৰ স্থগিত গোচৰ আৰম্ভ হল'। বেলতলৰ নাম ঘৰৰ চোতাল মগধপুৰৰ গঞ্জা বাইজৰে থৈয়া-নথৈয়া হৈ পৰিছে। ডেকা বুঢ়া সকলোৱে বিচাৰ চাবলৈ আহিছে। শকুনি মেলেকীৰ নিৰ্দ্দেশ ক্ৰমে মেলেকী দুৰ্যোধনে ৰামক এফালে বহিব দি আন ফালে হৰিক বহিব দিলে। স্থগিত থকা পঞ্চায়তৰ সভাত পশুপতি মেলেকীক সাক্ষী সুধিবলৈ দি দুৰ্যোধন মেলেকী বহিল। তাৰ পাছত পশুপতিয়ে সাক্ষী সুধিবলৈ আৰম্ভ কৰিলে।

পশুপতি — বোপা মধু; তুমি যোৱা পৰহি ৰামৰ ঘৰত যি দেখা পাইছিলা আৰু সেই সম্পৰ্কে যি জানা সমাজ বিদ্যমানে কৈ পেলোৱা।"

মধুই সমাজৰ ফালে আগ বাঢ়ি আহি "ৰাইজসকল" বুলি আৰম্ভ কৰাৰ লগে লগে সমাজৰ মাজৰ পৰা ধোৰ্দালগা মেলেকীয়ে কবলৈ ধৰিলে :—"ৰাইজ সকল ! মোৰ অলপ আপত্তি আছে"। "আপত্তি কি"—কেউফালৰ পৰা প্ৰশ্নৰ জাউৰি উঠিল। "আপত্তি হ'ল এই যে মধুই সাক্ষী কোৱাৰ আগতে পঞ্চায়ত বিদ্যমানে যি কম সঁচা কম বুলি ভগৱানৰ ওচৰত শপত খাব লাগিব।" শকুনি স্বভাৱৰ শকুনি মেলেকীয়ে তপৰাই মাত লগালে —"এই-কথা কোনো মতেই হব নোৱাৰে ; এই বিষয়ত সাক্ষীৰ শপত নাই।" ধোৰ্দালগা মেলেকীৰ খং উঠিল। উত্তেজিত হৈ সি কবলৈ ধৰিলে "সেই কথা আমি কেতিয়াও মানি লব নোৱাৰো। কাৰণ গোচৰীয়া ৰামে নিজ চকুৰে আচামীক দেখা পোৱা নাই। সেই হেতুকে আজিৰ বিচাৰ সাক্ষীৰ ওপৰত নিৰ্ভৰ কৰিব। গতিকে সাক্ষীয়ে সম্পূৰ্ণ কথা শপত খাই কব লাগিব"। ধোৰ্দা লগাৰ কথাত ৰাইজৰ মাজৰ পৰা সৰহ সংখ্যক লোকে হয়ভৰ দিলে আৰু কবলৈ ধৰিলে"—মধু ডেকাই সকলো কথা শপত খাই কব লাগে।" এই বাৰ শকুনি মেলেকী থিয় হৈ কবলৈ ধৰিলে—"ৰাইজ সকল ! মোৰ কথা শুনক। মগধপুৰ পঞ্চায়তৰ বিচাৰ কৰি দাড়ি চুলি পকালো। কোনো দিনে সাক্ষীৰ শপত নাই ; কিন্তু আজি ধোৰ্দালগাৰ কথা মতে কাম কৰিবলৈ হলে আগৰ নিয়ম এৰি নতুন নিয়ম কৰিব লাগিব দেখোন। এনে কথা কোনোমতে হব নোৱাৰে। সাক্ষীৰ শপত কোনোৰূপে হব নোৱাৰে"। শকুনি বহাত পশুপতি মেলেকী লাহেকৈ উঠিল, "এৰা, বুজিছানে ; আমি বুঢ়া হলো কিন্তু সাক্ষীয়ে শপত খোৱা শুনা নাই। শকুনি মেলেকীয়ে যি কৈছে থিকেই কৈছে।" পশুপতিক উদ্দেশ্য কৰি

ধোৱাঁলগাই খঙেৰে কবলৈ ধৰিলে "আপোনাৰ আও পকীয়া কথা আমি বুজি নেপাওঁ। যোৱা মাহত হৈ যোৱা তামোল চুৰি মেলখনত সাক্ষীক শপত দি বলেৰে নগদ পঞ্চাশ টকা জৰিমনা কৰিছিল আপোনালোকেই। আজি আপোনালোকে কৈছে সাক্ষীয়ে শপত খোৱা কথা শুনা নাই বুলি। চাওঁ বাৰু আপোনালোকে সাক্ষীৰ শপত নোহোৱাকৈ কেনেকৈ গোচৰ সমাধা কৰে"। তাৰ পাছত ৰাইজৰ মাজৰে শ্ৰীমান চন্দ্ৰ ঠাকুৰীয়াই ৰাইজক উদ্দেশ্য কৰি কলে"—ৰাইজ সকল, ধোৱাঁলগাই যি কথা আমাক কলে তাক আমি সমৰ্থন কৰো। আজিৰ সাক্ষীয়ে শপত খাই কথা কব লাগিব; যিহেতু সাক্ষীৰ জবানবন্দীতহে গোচৰ নিষ্পত্তি হব।" ঠাকুৰীয়াৰ কথা শেষ নৌ হওঁতেই মেলেকী ডুযোধনে "আমি এই বিচাৰত নাই" বুলি উঠি আহিল আৰু তাকে দেখি যদুৰাম আৰু পশুপতিও তেওঁৰ পাছ ললে আৰু ৰাইজে শুনাকৈ বাটে বাটে কৈ যাবলৈ ধৰিলে "এনে স্বাৰ্থপৰ মেলেকীৰ লগত আমি মেল নকৰো"। তেওঁলোক সমাজৰ পৰা উঠি যোৱাত ৰাইজৰ মাজত হৈ-চৈ, চিঞৰ-বাখৰ, ঠেলা-হেঁচাৰ সৃষ্টি হ'ল। কিছুমানে কলে "মদ ভেকা টকা খাই বিচাৰ [illegible] আহিছে"; আন কিছুমানে কলে "হাজাৰ টকা খাই মেল সমধা কৰিব আহিছে"। লাগিল হৈ-চৈ। বাটত ৰাইজে জুমে জুমে হৰি, চম্পা আৰু মধুৰ বিষয়ে নানা আলোচনা কৰিবলৈ ধৰিলে। ৰাইজৰ মাজত দলা-দুলিৰ সৃষ্টি হৈ সকলো নামঘৰৰ চোতালৰ পৰা উঠি আহিল। ঠেলা-হেঁচাৰ মাজত ৰামৰ চুৰিয়াৰ আচলৰ পৰা ঘৈণীয়েকে হাঁহ-পাৰ বিক্ৰি কৰি দিয়া টকা চাৰিটা কৰবাত হেৰাল। বেচেৰা হতাশ হৈ ঘৰলৈ উভতি আহিল। ৰামৰ পদুলিত বহু মানুহ

গোট খাই নানান জনে নানান কথা কৈছে। এই ৰামৰ ঘৰখনৰ পৰাহে আমাৰ গঞা ৰাইজৰ মাজত এনে অনৈক্যৰ সৃষ্টি হ'ল। কোনোবাই কৈছে ৰামৰ ছোৱালী চম্পাই কেলেঙ্কাৰিৰ মূল। এইৰ কাৰণেই এই বিলাক হৈছে, বাটৰ আলোচনা বিলাক চম্পা আৰু মাকৰ কাণত পৰিল। বাটলৈ চম্পাৰ মাক ওলাই আহি হতাশ মনে ফিৰি আহি ৰামক দেখা পালে। ..........
ৰামক বহিবলৈ দি মেলত কি হ'ল ঘৈণীয়েকে সুধিলত ৰামে কলে "পঞ্চায়তৰ বাণী ভগবানৰ বাণী"; যি কৰে পঞ্চায়তে কৰিব। ৰামে মাথো ইয়াকে মুঠতে কৈ ঘৈণীয়েকক প্ৰবোধ দিলে আৰু অলপ তপত পানী দিবলৈ কলে। ভাব চিন্তাত ৰামে গাটো বৰ বেয়া লগা যেন পালে। চম্পাই দেউতাকক তপত পানী এঘটি আনি দিলে। ৰামে ভৰি-হাত ধুই একো নোখোৱাকৈ বৰ ঘৰৰ মজিয়াত পাৰি থোৱা বিচনাত দীঘল দি পৰিল। চম্পাই দেউতাকক তেনেকৈ শুই পৰাত গাত হাত দি চাই যে ৰামৰ গাত ধান দিলে আখৈ ফুটা তাপ উঠিছে। সেই সময়ত সন্ধ্যাৰ বন্যা নামি আহিছিল পৃথিৱীৰ বুকুলৈ। পশ্চিম আকাশত থকা ৰঙা মেঘখিনিৰ ৰঙাবোৰ হেৰাই যাব ধৰিছে। চম্পাৰ মাকে চুবুৰীৰ দুজন লৰাক পাই গৰু হাল পথাৰৰ পৰা আনি দিয়াৰ কথা কলে, সিহঁতে কলে—"তোমালোকৰ মেল নিষ্পত্তি নোহোৱা কাৰণে গঞা ৰাইজে কাইলৈ চুবুৰি আৰু খেল ফালিব। গতিকে আমি তোমালোকৰ গৰু আনিব নোৱাৰোঁ।" চম্পাৰ মাকৰ মুখৰ মাত হৰিল। চম্পাক দেউতাকৰ ওচৰত থৈ মাকে নিজেই গৰু আনিবলৈ গ'ল। চম্পাৰ দেউতাকৰ তেতিয়া জ্বৰ প্ৰায় ১০৩° হব। তৈও সেহাই সেহাই চম্পাক কলে "আইকন

মোক অলপ পানী দে ; মই চকুৰে ধোঁৱা-কোঁৱা দেখিছো।” চম্পাই বাপেকৰ মূৰ আৰু চকুত পানী দি আছে। লাহে ভুল বকিবলৈ ধৰিলে। দেউতাকৰ এনেকুৱা হোৱাত চম্পাই ভয়ত পেপুৱা লাগিল। চম্পাৰ মাকে পথাৰৰ পৰা গৰুহাল আনি ভিতৰলৈ গৈ গিৰীয়েকে বৰকৈ ভুল বকিব ধৰা দেখি কি কৰিব কি নকৰিব ভাবি নিৰুপায়ত পৰিল। পশ্চিম আকাশৰ ৰক্তিম সুৰুজটো তেতিয়া দিগন্তত গিলি গৈছিল হয়তো দিনটোৰ পৰিশ্ৰমৰ জিৰণি লবলৈ। ক্ৰমে নিশাৰ এন্ধাৰে পৰিশ্ৰান্ত পৃথিবীক শ্ৰান্ত কৰিবলৈ নামি আহিছিল। সেই দিনাখন ৰামৰ জ্বৰ নেৰিলে।

( পাঁচ )

পিছ দিনা ৰাতিপুৱা মগধপুৰৰ গঞা ৰাইজৰ মাজত দুটা দল হ'ল। দুখন চুপাত দুখন সমাজ বহিল। এটা দল মধু ডেকাৰ ফালৰ, আনটো হৰিৰ। এনেকৈ এখন গাওঁত দুখন সমাজ হোৱাৰ কাৰণে গঞা ৰাইজৰ সমূহীয়া সম্পত্তি দুভাগ কৰিব লগা হ'ল, হৰিহঁতৰ সমাজখনৰ নেতৃত্বৰ ভাৰ ললে ধোঁৱা-লগাই আৰু মধু ডেকাৰ খনৰ ললে পশুপতিয়ে। দুই পক্ষই বেচেৰা ৰামক নললে। কাৰণ যেতিয়ালৈকে চম্পাৰ ঘটনাটোৰ প্ৰকৃত তথ্য উদ্ধাৰ কৰিব নোৱাৰে ; তেতিয়ালৈকে ৰাম এঘৰীয়া হৈ থাকিব লাগিব। “ইয়াকে কয় কেৰ্টেটুৱাই তামোল খায়, নেউলক বান্ধি কিলায়।” এয়ে হৈছে কুৰি শতিকাৰ সভ্যতাৰ মুখাপিন্ধা ৰাইজৰ সভ্য সমাজ। এয়ে হৈছে আজি আমাৰ সমাজৰ বিচৰ ধাৰা। এজন নিৰপৰাধী হোজাৰ ওপৰত ভদ্ৰতাৰ মুখা পিন্ধি দীঘল দীঘল বক্তৃতা দি ফুৰা কিছুমান স্বাৰ্থন্ধৰ বিচাৰৰ নমুনা।

... ... ... ...

হৰিৰ ঘৰ। হৰিৰ মনত অশান্তি, বেদনাৰ প্লাবন আৰু বেজাৰৰ জোৱাৰৰ আস্ফালন। অযুত প্ৰশ্নৰ জাউৰীয়ে তাক বিব্ৰত কৰি তুলিছে। নানা ভাবত সি তন্ময় হৈ আছে। এনেতে দেউতাকে তাক মাতিলত তাৰ তন্ময়তা ভাঙি গ'ল।

মনবৰ--হৰি!

হৰি—দেউতা?

মনবৰ—এষাৰ কথা মনত ৰাখিবিচোন। তোৰ অজ্ঞাতে তোক আৰু চম্পাক লৈ মই এখন সুখৰ সংসাৰ ৰচনা কৰাৰ কথা ভাবি আছিলো। এই কথা চম্পাৰ দেউতাক ৰামেও জানে। তাক মই কৈছিলো। তথাপি ৰামে মোৰ বংশ গৌৰবত কলঙ্কৰ চেকা পেলাবলৈ বিচাৰিছিল। গতিকে তই ৰাম আৰু ৰামৰ ছোৱালীৰ পিনে নেচাবি। মই এতিয়াহে সকলো বুজিব পাৰিছো। ৰামৰ ছোৱালী ব্যভিচাৰিণী চম্পা মনবৰে অনৰ্গল কৈ গ'ল আৰু হৰিয়ে নীৰব-নিস্তব্ধ শুনি গ'ল দেউতাকৰ সেই অশোভনীয় কথাবোৰ। কথাবোৰে হৰিৰ অন্তৰত হুলে বিন্ধা দিছিল। বিশেষকৈ চম্পা ব্যাভিচাৰিণী এই কথাত সি মৰনান্তিক বেজাৰ পাইছিল। হৰিৰ মন গৈছিল পিতাকৰ এই কথাষাৰৰ তীব্ৰ প্ৰতিবাদ কৰিবলৈ। পিতাকক চিঞৰি চিঞৰি বুজাই দিবলৈ ইচ্ছা আছিল যে "চম্পা ব্যাভিচাৰিণী নহয়; চম্পা কলঙ্কিতা নহয়। মগধপুৰৰ চম্পা এগঙ্গ-পবিত্ৰ দীপ শিখা।" কিন্তু নোৱাৰিলে। পিতাকৰ মুখে মুখে কথা কোৱাটো অতি লাজৰ কথা বুলি ভাবি সি মনে মনে ৰ'ল। আলোচনাৰ মাজতে হৰিৰ মাকে হৰি আৰু পিতাকক ভাত খাবলৈ মাতিলে। হৰি বাপেকৰ

পাছে পাছে নীৰবে ভিতৰলৈ সোমাই গ'ল ।

ইফালে আমাৰ মধু ডেকাই বৰ ডাঙৰ কলা পঠা ছাগলী এটা মাৰি ন-চুপাৰ পশুপতি প্ৰমুখ্যে মেলেকী সকলক খাবলৈ নিমন্ত্ৰণ কৰিছে । তেতিয়া ৰাতি দহমান বাজিছে । ন-চুপাৰ ৰাইজে মধুৰ চোতালত খাবলৈ বহিছে । ঠিক এনে সময়তে দূৰণিৰ পৰা এটা করুণ হৃদয় বিদাৰক সুৰ পশুপতিৰ কাণত পৰিল । পশুপতিয়ে সমাজক লক্ষ্য কৰি কলে—"কাৰ এনে অমঙ্গলীয়া কান্দোন" ? সমাজৰ মাজৰ পৰা ভদৰামে মাত লগালে—"বোধ হয় ৰামে ইহ সংসাৰ এৰিলে । মই আবেলি পথাৰলৈ ধান নিকাবলৈ যাওঁতে বঙালী পেটুৱা ডাক্তৰ জনে ৰামৰ ঘৈণীয়েকক বৰ সাৱধানে ৰোগীৰ যত্ন লবলৈ কোৱা শুনিলো । মোৰ ওচৰেদি ডাক্তৰে মুখ বিকতাই "২৪ ঘণ্টাৰ ভিতৰত বাচিলেহে বাচা ; চেত্ৰিৰীয়েল মেলেৰীয়া বুলি কৈ ভো-ভো কৰি বাইচাইকেল মাৰি গুচি গ'ল ।" মধু ডেকাই মুৰি ঘণ্টকৰ পাত্ৰটো লৈ ৰাইজক কিবা লাগেনে সুধিলে । তাৰ পাছত বিদ্ৰুপৰ এমোকোৰা হাঁহিলৈ ৰাইজক সম্বোধন কৰি কবলৈ ধৰিলে—"ৰাইজ সকল ! ধীৰে-সুস্থিৰে খাওঁক ; ৰামেই মৰকাৰ। তাৰ নিচিনা আন চুৱা-খোৱাই মৰক তাতে আমাৰ হানি বিঘিনি কি ? খোৱাৰ পৰাই যত্ন মেলেকীয়ে মাত লগালে "এৰা ! হৰিষত বিষাদ । খোৱাৰ সময়ত এই বিলাক কোৱা-গোৱা মই সমূলি সহ্য কৰিব নোৱাৰো । যেহেতু আমি ৰামক এঘৰীয়া কৰি থৈছো তাৰ কথা আমি কিয় আলোচনা কৰো বাৰু । মোৰ মতে তাৰ নামটো মুখত অনাই মহাপাপ, অন্যায় ; কাৰণ ৰামক আমি জুই পানীৰ আলাগ কৰিছো ।" তাকে শুনি গৰ্বিত মধুই কলে "এৰা কথাষাৰ

থিকেই। এতিয়া হৰিয়ে কি কৰে চাওঁ বাক। মৃতকৰ শদাহন কোনে কৰে দেখা যাওঁক তেতিয়াহে প্ৰকৃত ঘটনাৰ স্বৰূপ ওলাই পৰিব।

নানা কূট আলোচনাৰ মাজেৰে খোৱা লোৱা শেষ হোৱাৰ পিছত গঞা ৰাইজক ডেকাই বিদায় দিলে।

( ছয় )

পিছদিনা ৰাতিপুৱা চম্পা আৰু চম্পাৰ মাকে গগণ কঁপাই ৰামৰ মুখত পৰি পৰি ইনাই বিনাই কান্দিব ধৰিছে। তথাপি গঞা ৰাইজৰ কোনেও "কি হৈছে" বুলি ৰামৰ পদূলিলৈ নগ'ল। কোনো নহা দেখি ৰামৰ ঘৈণীয়েকে গঞা ৰাইজৰ ওচৰলৈ গৈ কিমান কাতৰ প্ৰাৰ্থনা কৰিলে তথাপি ৰামৰ শ-দাহন কৰিবলৈ কোনো আগ নেবাঢ়িল। বেচেৰীয়ে উপায় নেপাই মৃতকৰ ওচৰত চম্পাক থৈ এবেলাৰ বাট ৰত্নপুৰ গাওঁলৈ গৈ ভায়েকহঁতক শ-দাহন কৰিবলৈ মাতিবলৈ গ'ল।

ৰামৰ মৃত্যুৰ কথা হৰিৰ কানত পৰিলত বেচেৰাই সৰগ পৰা মানুহৰ দৰে থিতাতে থত-মত খালে। হৰিৰ মনত বিদ্ৰোহৰ উমি উমি জ্বলি থকা জুইকুৰা দপ্ কৰে জ্বলি উঠিল। তাৰ অন্তৰৰ প্ৰকৃত মানুহটোৱে কান্দি উঠিল। কিন্তু সি নিৰুপায়! কি কৰিব? একালে পিতৃ আজ্ঞা—ৰামৰ মুখ চোৱা পাপ। লগতে সমাজ। যেতিয়ালৈকে ৰামৰ ঘৰত হৈ যোৱা ঘটনাৰ প্ৰকৃত তথ্যৰ উদ্ঘাটন নহয় তেতিয়ালৈকে ৰাম সপৰিয়ালে সমাজৰ পৰা জুই পানীৰ আলাগ। আনহাতে নিৰশ্ৰয়া চম্পা আৰু মাক। সিহঁতে চাগৈ কিমান কান্দিছে? সিহঁতে সেই মানুহৰূপী পশু বোপৰক কিমান বা কাতৰ মিনতি জনাইছে?

ৰামৰ শ দাহন কোনে সমধা কৰিব ? ইত্যাদি শত সহস্র প্রশ্নই হৰিক ব্যতিব্যস্ত কৰি তুলিলে। ধীৰ-স্থিৰ হৰিৰ মগজুৱে আজি কাম নকৰা হৈ কমোৰা তুলাৰ দৰে পাতল হ'ল। বাপেক-সমাজ সকলোৰে প্রতি হৰিৰ অন্তৰাত্মা বিদ্রোহী হৈ উঠিল। স্বার্থপৰ সমাজ, কুটিলতাৰে ভৰা সমাজ, ভেটি খোৰা সমাজ ইত্যাদিৰে সি সমাজব প্রতি বিষোদ্গাৰ কৰিব ধৰিলে। হৰি স্থিৰে থাকিব নোৱাৰিলে। সি আজি বাপেকৰ কথা নামানে। সি আজি সমাজৰ ভিত্তিহীন নিয়ম অনুশাসন অৱজ্ঞাৰ হাঁহিৰে উৰুৱাই দি চম্পাৰ ওঠত হাঁহিৰ ৰঙীন বোল সানিব।

সি একে কোবে চম্পাহঁতৰ চোতালত উপস্থিত হ'ল আৰু মৃতকৰ ওচৰত বহি দুটোপাল চকুলো পেলালে। সি ভাবিলে ৰামৰ অন্তৰখনক সমাজৰ স্বার্থপৰতাই আঘাত কৰা কাৰণেই ৰামৰ মৃত্যু হ'ল। ৰামৰ মৃত্যুৰ বাবে দায়ী একমাত্র সমাজখনেই। সি গদ-গদ কণ্ঠেৰে চম্পাক মাতিলে—"চম্পা"। "উঁ" বুলি চম্পাই সঁহাৰি দিলে। বেচেৰীয়ে ৰাতি কান্দি কান্দি ক্লান্ত হৈ পৰিছিল। হৰিৰ মাত শুনাৰ লগে লগে তাই অলপ সকাহ পালে। কিন্তু অলপ পিছতে তাই দুগুণে কান্দিবলৈ ধৰিলে। কিয়নো হৰিৰ মাতত তাই বিচাৰি পালে মৃত বাপেকৰ কণ্ঠস্বৰ। হৰিয়ে ক'লে, "নেকান্দিবা চম্পা! আয়েৰা বলৈ গ'ল ?" চম্পাই উত্তৰ দিব নোৱাৰি মনে মনে থাকিল। কিহবাই যেন তাইক বাকৰুদ্ধ কৰিছে। হৰি ক'লে "চম্পা! কান্দিলে জানো দেউতাৰক ওভটাই পাবা ? ই নিয়তিৰ নীতি চম্পা! পুৰণি আতৰাই পাতিব লাগিব জগতে নতুনৰ নব আয়োজন। মই মৰিম, তুমিও মৰিবা আৰু এদিন নহয় এদিন সকলো মৰিব। দুদিনৰ আগ পিছ মাথোন।

এতিয়া আমাৰ কৰ্ত্তব্য সমাধা কৰিব লাগে। উঠা চম্পা, উঠা। মোক দা খন আনি দিয়া। মই বাৰীৰ পৰা বাঁহ কাটি আনো।” হৰিৰ কথা শুনি ফেকুৰী ফেকুৰী চম্পা ভিতৰলৈ গ'ল। এনে সময়তে চম্পাৰ মাক আৰু মোমায়েক আহি চোতালত উপস্থিত হ'লহি। চম্পাৰ মাকে সমাজ পৰিত্যক্তাৰ ঘৰত হৰিৰ কৰ্ম্মব্যস্ত থকা দেখি দুয়োও বাৰে কান্দিবলৈ ধৰিলে। বেচৰৌৰ মনত ভাব হ'ল আজি যদি গিৰীয়েকে নিজ ঘৰত হৰিক এনে কৰ্ম্মব্যস্ত অৱস্থাত দেখা পালেহেঁতেন……। মৰাজুই আৰু জীয়া জুই দুইকুৰা জুইৰ মাজত পৰি তাই হিয়া ভুকুৱাই কান্দিব ধৰিলে।

তাইৰ কান্দোন শুনি ওচৰৰে শালিকী বুঢ়ী ৰব নোৱাৰি কিনো হৈছে বুলি চোৱাৰ অভিপ্ৰায়ে ৰামৰ পদূলিলৈ আহি হৰি আৰু চম্পাৰ মোমায়েকে শ-দাহনৰ যোগাৰ কৰা দেখা পালে। ইয়াকে দেখি ক্ৰূঢ় হাঁহি এটি মাৰি মধু ডেকা আৰু মনবৰৰ ঘৰ মুৱাকৈ শালিকী বুঢ়ীয়ে খোজ ললে।

ৰামৰ দাহন কাৰ্য্য হৰি আৰু চম্পাৰ মোমায়েকে লগ লাগি শেষ কৰিলে। শালিকী প্ৰথমতে মনবৰৰ মনৰ ভাৱ-ভঙ্গী বুজিলৈ মধু ডেকাৰ ঘৰলৈ যোৱা থিক কৰি প্ৰথমতে মনবৰৰ ঘৰত সোমাল। মনবৰে দুপৰীয়া খাই-বৈ উঠি তামোল চোবাই চোবাই পিৰালিত বহি হৰি ইমান সময়লৈকে ঘৰলৈ নহাৰ কথা ভাবি আছে। শালিকীক দেখা পাই মনবৰে মাত লগালে “শালিকী বাই, কোন ফালেনো?” শালিকী সোমাই অহাত মনবৰে পিড়াখন আগবঢ়াই বহিবলৈ দিলে। শালিকীয়ে “কলে বহিম দে বোপাই। পিছে এটা খবৰ লম বুলিহে তোমা-লোকৰ ইয়ালৈ আহিলো।”

মনবৰ—কি খবৰ বাই ?
শালিকী—আজি তোমাৰ লৰা হৰি কলৈনো গ'ল ?
মনবৰ—হৰি বোধকৰো পথাৰলৈ গৈছে। কালিয়ে পথাৰৰ ধান ডৰা নিকাই দিয়াৰ কথা আছিল। বোধহয় সেই কাৰণে পথাৰতে পলম হৈছে।
শালিকী— নহয় বোপা! কালিয়ে ৰাম সন্নিপাত জ্বৰত মৰিছে। কালি ৰাতিৰ পৰা আজিলৈ ৰামৰ দাহন কৰা মানুহ নেপাই ৰামৰ ঘৈণীয়েকে ভায়েকহঁতক মাতিবলৈ গৈছিল আৰু তোমালোকৰ হৰি তেওঁবিলাকৰ লগত শ-দাহন কৰিবলৈ গৈছে।"
মনব—'তুমি কি কৈছা বাই ? মোৰ লৰা হৰি ৰামৰ শ-দাহন কৰিবলৈ গৈছে ?
শালিকী—বোপা! অইনৰ চকুত ধূলি মাৰিলেও এই শালিকীৰ চকুত ধূলি মাৰি কোনোৱে সাৰিব নোৱাৰে। মই উঠিলোহে বোপা। এইবুলি বুঢ়ী বহাৰ পৰা উঠি ঘৰলৈ গল।

মনবৰে খঙতে কলা খোৱা গৰুৰ দৰে ঘূৰি ফুৰিবলৈ ধৰিলে। তেওঁ নিজকে চম্ভালিব নোৱাৰা হৈ খঙতে কবলৈ ধৰিলে—"মোৰ লৰাহে সি মোৰ বাক্য অমান্য কৰি ৰামক দাহন কৰিবলৈ গৈছে। যি ৰামে মোৰ পুত্ৰৰ গাত কলঙ্কৰ চেকা সানিবলৈ গৈ প্ৰমাণ কৰিব নোৱাৰি মগধপুৰৰ গঞা ৰাইজৰ একতাক থান-থান, বান-বান কৰিলে, পানী খোৱা পুখুৰীৰ মাজেৰে বেৰ বেৰিলে, নামঘৰৰ তাল নাগেৰা পৰ্য্যন্ত ভাগ কৰালে আৰু আনকি এটা খেলে আন এটা খেলৰ ছোৱালী অনা-নিয়া বন্ধ কৰিলে সেই ৰামক দাহন কৰিবলৈ গৈছে হৰিয়ে। মোৰ লৰাহে তাৰ ইমান অতপালি! কি কৰিম! নিৰুপায় বলিয়াৰ দৰে মনবৰে চিঞৰি

উঠিল। "মই যদি বিকাৰামৰ পুত্ৰ হওঁ, মই যদি মানুহ হওঁ তাক ত্যাজ্য পুত্ৰ কৰিহে এৰিম। এয়ে মোৰ প্ৰতিজ্ঞা।" ইপিনে হৰিৰ মাকে খাই বৈ উঠি তামোলৰ শৰাই খন লৈ বাহিৰলৈ আহোতে বাটত উ ৰ ি াই পৰিল।

আনফালে ৰামৰ শ-দাহন কৰি চম্পাহঁতৰ ঘৰলৈ আহি সকলো দিহা পৰামৰ্শ দি হৰিয়ে চম্পাৰ মোমায়েকক এসপ্তাহ মান থাকিবলৈ অনুৰোধ কৰিলে। সন্ধিয়া হোৱাত হৰিয়ে ঘৰলৈ আহিবলৈ চম্পা আৰু চম্পাৰ মাকৰ অনুমতি বিচাৰিলে। দহাকৰ্ম্ম নোযোৱালৈকে দিনে অতিকমেও এবাৰকৈ আহি থাকিব বুলি কৈ হৰিয়ে বিদায় ললে। হৰি যোৱাৰ পিছত ঘৰটো আকৌ বেচি নীৰৱ হৈ পৰিল। নীৰৱ চম্পাৰ মা-মোমায়েক। হৰি যেতিয়া যায় তেতিয়া চম্পাই তালৈ হৰিণী চকু দুটিৰে একে থৰে চাই আছিল; হয়তো তাই এইজন মানুহৰ সুন্দৰ আত্মাৰ সান্নিধ্য বিচাৰি পিছ মুহুৰ্ত্ততে ভাবিছিল হৰিৰ ওপৰত সমাজে বন্ধা কটকটীয়া বান্ধোনৰ কথা। অজান আশংকাত তাইৰ কোমল অন্তৰখন হঠাতে কান্দি উঠিল। হৰিৰ ওপৰত ৰাইজসকলে হয়তো কঠোৰ শাস্তি বিধান কৰিব আৰু হৰিৰ দেউতাকে হয়তো সমাজৰ ভয়ত হৰিক ঘৰৰ পৰা উলিয়াই দিব। চম্পাই ফেকুৰীবলৈ ধৰিলে। মাক আৰু মোমায়েকে তাইৰ অন্তৰৰ বেদনাৰ কথা বুজিব নোৱাৰি মৃত বাপেকৰ শোকত কন্দা বুলি ভাবি তাইক শান্ত কৰিবলৈ চেষ্টা কৰি ব্যৰ্থ হল। মনবৰৰ ঘৰৰ পৰা পোন চাপেই শালিকী মধু ডেকাৰ ঘৰ পালেগৈ আৰু মধু ডেকাৰ ঘৰৰ মজিয়াত বহি ৰামৰ ঘৰৰ ঘটা ঘটনাক ৰহন সানি বুজাবলৈ ধৰিলে। "বুজিছানে বোপা! মই আমাৰ ঘৰৰ বেৰৰ জলঙাইদি সকলো চাই আছো।

মাকে ভায়েকহঁতক শ-দাহন কৰিবলৈ মাতিবলৈ গৈছে। মৰা শটো মাজত; ইকাষে চম্পা, সিফালে হৰি। দুয়ো মুখামুখিকৈ বহি কি যে মেল মাৰিছে। বোপা, বসন্তৰ ফুলনিত যেন ভোমোৰাৰহে মধু গুঞ্জন। নিজৰ মৃত পিতাকৰ ওচৰত সিহঁতৰ এনে কাণ্ড! ছিঃ ছিঃ! হেৰা বোপা, আমিনো গাভৰু নাছিলোনে। আমাৰোতো বয়স আছিল। হেৰৌ মুখাগ্নি কৰিব কোনো নাই যদি মেটৰ মুচীৰ হতুৱাই পেলাই দে। বোপাই এনে কথা কাণ্ড কাহানিও দেখাও নাই, শুনাও নাই।"

মধু— "হয়নে বাই, সি ৰামৰ ঘৰলৈ গৈছে"?

শালিকী— "মইনো ইমান পৰে কি কলো। তালৈ নাযায় সি যাব কলৈ? গাৰ চাল সোতোৰা-সোতোৰ হলেও এই শালিকীয়ে আন্ধাৰ নগনে। শালিকীয়ে বিত-চকু পিন্ধিব লগা হোৱা নাই।"

মধু— বাৰু বাই শুনা। মই হওঁ বিষহৰী আৰু তুমি হোৱা নেতাই; দেখুৱাই দিওঁ মগধপুৰ গঞা ৰাইজক মই কিমান সত্য-পৰায়ণ আৰু মনবৰৰ পুত্ৰ হৰি কেনে চৰিত্ৰৰ লৰা।

শালিকী— তোমালোক ডেকা মানুহ যি ইচ্ছা তাকে কৰা। মই এতিয়া উঠিলোহে।"

মধুৰ মন আনন্দত নাচি উঠিল। তাৰ উৎফুল্লিত পৰাণ দু-কূল উপচি পৰে চম্পাৰ বাৰিষাৰ নৰ চল কল্পনা কৰি। সি ভাবিলে এয়ে সোনালী সুযোগ। এনেকুৱা সৌভাগ্য ভাগ্যত কমেই ঘটে। গোটেই মগধপুৰৰ গঞা ৰাইজৰ আগত ঘটনা প্ৰকাশ কৰি ৰামৰ দহ-কৰ্ম্মৰ দায়িত্ব মই নিজেই গ্ৰহণ কৰিব কৰিব লাগিব। নহলে চম্পাৰ সেই উন্মুক্ত যৌৱনৰ অমিয়া মাধুৰী পান কৰা সম্ভৱ নহব।" সি চম্পাৰ সুঠাম বাহু আৰু

উঠন বুকুৰ মাদকতা বিচাৰি চম্পাক তাৰ পিপাসু হৃদয়ত আসন পাতি বহুৱাই লৈ নানান কল্পনা-জল্পনা কৰি থাকোঁতে তাৰ টোপনি আহিল।

( সাত )

তেতিয়া অস্তগামী সুৰুযৰ হেঙুলী আভা পৰি ৰাঙলী হৈ উঠিছিল পশ্চিম আকাশৰ শুকুলা মেঘবোৰ। নৈৰ বুকুৰ পানী-বোৰ তেজ ৰঙা হৈ পৰিছিল। পাৰৰ কহুৱাবোৰে হালি জালি নাচিছিল। পথাৰৰ পৰা গৰু লৈ গীত গাই গাই ঘৰলৈ আহা গৰখীয়া-বোৰক কোনোবা দেৱ কাননৰ দেব-শিশুৰ দৰে দেখা গৈছিল। দিন-টোৰ পৰিশ্ৰমৰ পিছত পৰিশ্ৰান্ত হৰি ঘৰলৈ আহিব ধৰিছে ধক্ ধক্ কৰে বগা সুঠাম দেহৰ হৰি যেন কোনোবা কুমাৰীৰ কামপাশত জুৰুলা হৈ ৰঙা চঙা পৰি ঘৰলৈ আহিছে। লাহে লাহে হৰি চোতাল সোমাল। চোতাল সোমোৱাৰ লগে লগে হৰিৰ বাপেকে চিঞৰি উঠিল—"হৰি ওলাই যা। মোৰ এই ঘৰ দুৱাৰত আজিৰ পৰা তোৰ কোনো স্বত্ব নাই। আজিৰ পৰা তোৰ লগত মোৰ কোনো সম্বন্ধ নাই। তই মোৰ ত্যজ্য পুত্ৰ।" বাপেকৰ কথা শুনি হৰি হতম্ব হ'ল। কিছুসময় মনে মনে থাকি সি লাহে লাহে পিতাকক সুধিলে "পিতা মোৰ অপৰাধ কি ?"

মনবৰ—অপৰাধ বহুতো। শুন, তোৰ দৰে কলঙ্কিত পুত্ৰৰ মুখ চাবলৈ আৰু তোৰ কথাৰ উত্তৰ দিবলৈ মোৰ ধৈৰ্য্য নাই। মোৰ ওচৰত তই এখন্তেকো নাথাকিবি। তই মোৰ অবাধ্য পুত্ৰ। মোৰ সমুখৰ পৰা আতৰ হ"। এনেতে হৰিৰ মাক ওলাই আহি হৰিৰ কাষত থিয় হৈ মাতৃ স্নেহৰ অধীৰতাৰে

কৰলৈ ধৰিলে "যা বাচা ! যি হবৰ হ'ল আগলৈ এনে কাম নকৰিবি। যা ভিতৰলৈ।"

মনবৰ—ওহো মোৰ ঘৰত তাৰ কোনোমতে স্থান হব নোৱাৰে। মই যি কৈছো পূবৰ সূৰ্য্য পশ্চিমত উদয় হলেও তাৰ লৰ-চৰ নহয়। সি মোৰ ত্যজ্য পুত্ৰ। আৰু শুন কুলাঙ্গাৰ তোৰ কাৰণেই আজি মগধপুৰ গঞা ৰাইজৰ একতা, বন্ধুত্ব, মিত্ৰতা থান-বান হৈ গ'ল। তই মোৰ বংশত কলঙ্ক আনিলি। তোৰ সকলো কুকৰ্ম্মৰ কথা শালিকীৰ পৰা জানিব পাৰিছো আৰু ইতিমধ্যে মৌজাদাৰ দেউতাৰ ওচৰত তোক ত্যজ্য পুত্ৰ কৰাৰ এফিদ দি আহিছো ··এফিদ···। পাইছ এতিয়া তোৰ অবাধ্যতাৰ শাস্তি।···মোৰ বংশৰ কলঙ্ক, নৰাধম, যা ওলাই যা।

হৰি নীৰৱে পিতৃ আদেশ পালন কৰি পিতাক মাকক সেৱা জনাই ঘৰৰ বাহিৰ হ'ল। মাকে হৰিৰ পিতাকক কিমান অনুৰোধ কৰিলে, কিমান চকু পানীৰে চৰণ ধুৱালে কিন্তু হৰিৰ পিতাকৰ সেই পাষাণ নিৰ্মিত হিয়া নগলিল। হৰিৰ মাকৰ কান্দোন শুনি গাৱঁৰ ধোঁৱালগা আদি কৰি বহুতেই আহি হৰিহঁতৰ চোতাল ভৰি পৰিল। কিন্তু কোনেও ৰামৰ দাহন কাৰ্য্যত অংশ গ্ৰহণ কৰাৰ কাৰণে হৰিক ত্যজ্য পুত্ৰ কৰাৰ প্ৰতিবাদ নকৰিলে। তেতিয়া সন্ধ্যা দেৱীয়ে তৰাবচা আচলেৰে পৃথিৱী আঁৰৰি ধৰিবলৈ সাজু হৈছিল। পশ্চিমৰ ৰঙা মেঘখিনি ক'লা পৰি আহিছিল।

এনেতে হৰিয়ে ভগৱানক সাক্ষী কৰি ঘৰৰ পৰা ওলাই আহি পশ্চিম ফালে যাবলৈ ধৰিলে। সি নাজানে তাৰ গন্তব্য স্থান ক'ত আছে। সি নাজানে তাৰ যাত্ৰা পথৰ অন্ত ক'ত। হয়তো সেই ঠাই সুদূৰ প্ৰান্তত। সেই পথ দুৰ্গম অৰন্যাকীৰ্ণ

হৰিক ঘৰৰ পৰা বাপেকে খেদি দিয়াৰ পিছ দিনা ৰাইজৰ মাজত হৰিৰ কথালৈ আলোচনা হৈছে। মধু ডেকাৰ ফালৰ ৰাইজ গপ গপাই উঠিল। তেওঁলোকে কলে "এতিয়াহে জোলোঙাৰ মেকুৰী ওলাইছে। সত্যৰ সদায় জয়। ধোঁৱালগাই হৰিৰ টকা খাই মেল কৰিবলৈ আহিছিল। এতিয়া বুজি পালো নহয়। কোন চোৰ কোন সাধু।" এইদৰে নানান কথাৰে মধুৰামৰ খেলে ধোৱাঁলগাৰ খেলৰ বিষয়ে সমালোচনা কৰিবলৈ ধৰিলে।

মধু ডেকাই শকুনি মেলেকীৰ লগত আলোচনা কৰিব ধৰিলে কি উপায়ে চম্পাক লাভ কৰিব পাৰি। এই সম্পৰ্কে ডেকাই শকুনিৰ উপদেশ বিচাৰিলে। ইমান দিনে মধু ডেকাই মেলেকীৰ ওচৰত প্ৰকৃত কথা লুকুৱাই ৰাখিছিল। আজি বাটৰ কাঁইট হৰি আৰু ৰাম নাই কাৰণে সকলো কথা শকুনি মেলেকিৰ আগত ভাঙি পাতি ক'লে। তাৰ পিছত মেলেকীয়ে কলে "বোপা তুমি এতিয়া ভয় নকৰিবা। মই দুটা উপদেশ দিওঁ। তুমি সেইমতে কাম কৰিলে অতি সোনকালে চম্পাক লাভ কৰিব পাৰিবা। প্ৰথমে চোৰা বাৰু। বাপেকৰ কাৰ্য্যত প্ৰতিবাদ নকৰি ঘৰৰ পৰা ওলাই যোৱা কথাই হৰি যে চোৰ তাক প্ৰমাণ কৰিছে। এতিয়া ৰামৰ পৰিয়াল জুই-পানী আলাগৰ পৰা মুক্ত। তুমি এতিয়াৰ পৰা অবাধে সিহঁতৰ ঘৰলৈ অহা যোৱা কৰিব পাৰিবা। দ্বিতীয়তে আমাৰ গাওঁৰ ল'ৰা-তিৰোতাৰ দ্বাৰা চম্পাৰ বিষয়ে নানান কু-ৰটনা ৰটিব দিবা আৰু তুমি চম্পাহঁতক সহায় কৰাৰ চলেৰে সিহঁতৰ ঘৰলৈ অহা যোৱা কৰিবা। তেতিয়া সকলো কথা হাচিল হব।" মধুৰ মুখত আত্মতৃপ্তিৰ হাঁহি এটি ওলাল। সি ঠিয় হৈ শকুনি নমস্কাৰ জনাই কলে "আপুনি বহক বাৰু।

মই এতিয়া উঠিলো ? "যোৱা নেকি বোপা অ' সন্ধিয়া হলেই হে।" মধুৰামে শকুনিৰ কথালৈ বিশেষ কান নদি ঘৰলৈ আহিল।

আঠ )

এদিন দুদিন কৈ আজি পাঁচ দিন হ'ল। তথাপি হৰি অহা নাই। চম্পাই প্ৰমাদ গণিলে। সেই দিনাখন হৰিয়ে যোৱাৰ সময়ত কৈ গৈছিল যে সি নিতৌ কমেও এবাৰকৈ আহিব। কিন্তু আজি পাঁচদিন হ'ল হৰি অহা নাই। চম্পা অস্থিৰ হৈ পৰে। পিচত ভাবে তেৱেঁই দেউতাকৰ মুখাগ্নি কৰিছিল—দিনৰ দিনটো লঘোনে থাকি বোধ হয় গধূলি খোৱা-লোৱা কৰি ভাগৰি পৰে। সেই কাৰণেই নাহে নিশ্চয় সি নহাৰ কাৰণ এইটোৱেই। হৰিৰ খবৰ নকৰে। তাই নেজানে যে পিতৃৰ কোপ দৃষ্টি আৰু সমাজৰ ভিত্তিহীন নিয়মৰ চাকনৈয়াত পৰি হৰি আজি ত্যাজ্য পুত্ৰ। ঘৰ এৰিবৰ তাৰ আজি পাঁচ দিন হল। এই কথা চম্পাৰ মাক আৰু মোমায়েকৰ কাণত নপৰাকৈ থকা নাই। কিন্তু চম্পাক এই বিষয়ে জানিব নিদি মাক আৰু মোমায়েকে দহা-কৰ্ম্ম ইয়াতে সমাধা কৰি চম্পাক মোমায়েকহঁতৰ ঘৰলৈ নিবলৈ যত্ন কৰিছে। ভায়েক অহাৰ দিন ধৰি চম্পাৰ মাকে "বোবাৰ শত্ৰু নাই" নীতি মানি চলিছে। সেই উপদেশ তাইক ভায়েকে দিছে। গঞা: ৰাইজৰ মানুহৰ গাত খুন্দিয়া খুন্দি লাগিলেও চম্পাৰ মাকে উত্তৰ নিদিয়ে। পুখুৰীলৈ পানী আনিবলৈ গলে নানান জনীয়ে নানান কথা কয়; কিন্তু ভায়েকৰ উপদেশ অনুসাৰে কাৰো কথাত তাই উত্তৰ নিদিয়ে, নীৰবে নিজৰ কাম কৰি যায় তাই।

নদিনৰ মূৰত হৰিয়ে বাটকুৰি বাই উত্তৰ গুৱাহাটীৰ অশ্বক্লান্তত উপস্থিত হল। ইয়াতেই ৰামৰ দহাকৰ্ম্ম সমাধা কৰিবলৈ হৰিয়ে মনস্থ কৰিলে। বেচেৰাই নিৰামিষ অৱস্থাৰে বাটকুৰি বাই ক্লান্ত হৈ পৰিছিল। লাহে লাহে ওপৰলৈ উঠিগৈ গণেশ মন্দিৰৰ পিৰালিতে নিশাটো কটাম বুলি ভাবি পাণ্ডা বাপুৰ আশ্ৰয় ললে।

* * * *

চম্পাই গধূলিতে কিছুমান ঘৰুৱা কাম কাইলৈ বুলি অতাই থবৰ কাৰণে চোতালত কাম কৰি আছে। এনেতে মোমায়েকে দহাকৰ্ম্ম কৰা বামুণৰ পৰা উপদেশ লৈ আহি ঘৰ সোমাল। চম্পাৰ মাকে মোমায়েকক বহিবলৈ দি বামুনে কি উপদেশ দিলে বুলি সোধাত মোমায়েকে কলে "যিজনে মুখাগ্নি কৰে সেই জনৰ দ্বাৰা অস্থি তৰ্পণ কৰিব লাগে বুলি বাপুই কৈছে। আনৰ দ্বাৰা হেনো দশকৰ্ম্ম হব নোৱাৰে। যেতিয়া মই হৰিৰ দ্বাৰা মুখাগ্নি কৰাৰ কথা ভাঙি-পাতি কলো তেতিয়া তেওঁ কলে যে তেওঁ আহি তুলসীক পূজি চম্পাৰ হতুৱাই ঘাট কৰ্ম্ম কৰিলেই হব। বিধি-ব্যৱস্থা চাই তেওঁ ৰাতি পুৱা আহিব।"

এয়ে হৈছে আজি কুৰি শতিকাৰ ব্ৰাহ্মণ। আজি ব্ৰাহ্মণে বিচাৰে টকা, ধন-দৌল। মধু ডেকাই ইয়াৰ আগেই বামুণক ত্ৰিশ টকা ভেটি দি ৰামৰ দহাকৰ্ম্মৰ দিনা তুলসী পূজি বিধি-ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিছে। এফালে টকা আনফালে ধৰ্ম্ম। অৱশেষত টকাৰে জয় হ'ল। আজিৰ সমাজত টকাহে মূল্যবান, ধৰ্ম্মৰ কোনো মূল্য নাই। হায়! দামোদৰ বিপ্ৰ তুমি আজি ক'ত। ফটা চৰণৰ পানী খাই ভগৱান শ্ৰীকৃষ্ণই এদিন কৃতাৰ্থ মানিছিল। ক'ত গল সাত্ত্বিক ব্ৰাহ্মণৰ মহা মন্ত্ৰ?

মোমায়েকৰ কথাৰ পৰা হৰি যে গাৱঁত নাই সেই কথা বুজিবলৈ চম্পাৰ বাকী নাথাকিল। সকলো চিন্তা-ভাৱনা এৰি তাই মোমায়েকক এঘটি পানী আনি ভৰি ধুবলৈ দিলে। তাই সকলো কাম কৰি অটাই মোমায়েকক আৰু মাকক খাবলৈ দি নিজেও অলপ খাই শোৱাৰ যত্ন কৰিলে। কিন্তু তাইৰ টোপনি নাহিল। যিমানেই হৰি আৰু পিতাকৰ কথা মনত পৰিবলৈ ধৰিলে সিমানেই তাইৰ অন্তৰত প্ৰতিহিংসাৰ অনল জ্বলি উঠিব ধৰিলে। তাই ভাবিলে "ইয়াৰ বাবে দোষী কোন? সমাজ নে মই।" ভাবি ভাবি তাই কোনো মীমাংসা কৰিব নোৱাৰিলে। এবাৰ তাই সমাজ খনকেই দোষী বুলি ভাবে। এবাৰ ভাবে নহয় তাই নিজেই দোষী চম্পাই আজি কান্দিব নোৱাৰে। তাইৰ যেন চকুপানী বোৰ শেষ হৈ গৈছে। তাই আজি নেকান্দে। তাই নিজেই বিচাৰ কৰিব। পিতাকৰ মৃত্যুৰ সময়ৰ বাণী-'পঞ্চায়তৰ বাণী ভগৱানৰ বাণী" এই কথাষাৰৰ তাই বিচাৰ কৰিব। দোষী কোন? মধু নে হৰি? তাইৰ অন্তৰত মহা বিপ্লৱৰ সূচনা হ'ল। "যদি হৰিৰ মন পবিত্ৰ হলহেতেন তেনেহলে পিতাৰ দাহনকাৰ্য্যত অংশ গ্ৰহণ কৰিও আমাক কিয় এনেকৈ দলনীত পোনা এৰাদি এৰি গুচি গ'ল। তেওঁৰ যদি এখন সবল মন বা আমাক ভাল পোৱাৰ ভাব আছিল তেনেহলে তেওঁ কিয় অন্ততঃ মোক মাত এষাৰ নিদিয়াকৈ গুচি গ'ল? যিমানেই তাই চিন্তা কৰে সিমানেই তাইৰ চিন্তা কঠোৰতকৈও কঠোৰ হব ধৰিলে। তৎক্ষণাত তাই এটা সিদ্ধান্তত উপনীত হ'ল। "মই নিজেই দায়ী যেতিয়া মই ইয়াৰ প্ৰায়শ্চিত্ত কৰিম।" তাই হঠাৎ শোৱা বিচনাৰ পৰা উঠি বহিল। চাকি গছ জ্বলাই মাকৰ সিন্দুৰবিহীন শেতা

মুখ খনিত তাইৰ চকু প'ৰিল। নিদ্ৰাৰ কোলাতো মাকৰ শান্তি নাই। চকুৰ পৰা অনগৰ্উ অশ্ৰু নিজৰাৰ পৰিশ্ৰান্ত হ'ল বাগৰি আছে। তথাপি তাইৰ অন্তৰ নটলিল। তাই আজি বিচাৰ কৰিব। কাৰো প্ৰতি তাই আজি হিয়া ভুকুৰাই নেকান্দে। তাই ঠিক কৰিলে অনিদৃষ্ট পথলৈ তাই আগুৱাব যেতিয়ালৈকে শান্তিৰ অমিয়াৰে গাতখনি ভৰি নপৰে। হাতৰ সাৰে ভৰিৰ সাৰে মাকক এটি সেৱা জনাই চম্পাই বিদায় মাগিলে বাহিৰত তেতিয়া শুকুলা জোনটো। পোহৰ খিনি মিঠা লাগে। বাহিৰত মৃদু মন্দ মলয়াৰ মৃদু মধু মুৰ্চ্ছনা নিস্তব্ধ গভীৰ ৰাতি। মৃদু মলয়াই তাইৰ মগজুত শান্তি ঢালি দিছিল। তাইক মলয়াই ঘৰলৈ টানিব বিচাৰিছিলে। নাই নহব; তাইক আজি একোৱে টলাব নোৱাৰে। ঘৰৰ পৰা পশ্চিমলৈ কোবা কোবিকৈ খোজ ল'লে। গোটেই পৃথিবী টোপনীত নিঃপাল। বাহিৰত জোনটোৰ মিঠাখিনি অনুভব কৰি নিয়তি চৰাই টোৱে মাজে মাজে নি···উ·· নি...উ কৈ চিঞৰিছিল। কেনে ভয় লগা চিঞৰ এই নি...উ... শব্দটো। তথাপি ৰোৱা নাই চম্পাই। লক্ষ্য তাইৰ মাথো সুদূৰৰ ৰঙীন কামনা। চম্পাৰ গতি প্ৰবল হৈ আহিছে। ক'লৈ যাব-কিমান দূৰ যাব সীমা নাই। লক্ষ্য হীন নীল আকাশৰ ফাকে ফাকে উৰি যায় এটি চৰাই দিগন্তলৈ। তেতিয়া শান্ত পৃথিবীখনক জোনৰ মিঠা পোহৰ খিনিয়ে ধুনীয়া কৰি তুলিছিল।

॥ অন্ত ॥

## — উছর্গা —

যাৰ অসীম কৃপাত এই অতুলনীয় ধৰণী দেখিবলৈ
সক্ষম হৈছোঁ, সেই পিতৃদেৱ,
স্বৰ্গীয় ৬ আনন্দি কলিতাদেৱৰ পুজ্যপাদত
"আজিৰ সমাজৰ এটি দিশ"
এই ক্ষুদ্ৰ পুস্তিকাখনি
অৰ্পণ কৰিলোঁ। ।

— ৰবীন —

আমাৰ ওচৰত পাব

লিখকৰ আন কিতাপ

# শ্বহিদ্‌ তৰ্পণ

দাম দুই অনা

শ্ৰীহৰিদাস ডেকাৰ

# মাও-ছে টুঙ

দাম ৪০ নয়া পইছা

ঠিকনা:

শ্ৰীনবীন কলিতা

পোঃ আঃ গুৱালকুছি

কামৰূপ